জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৩/২০২১

# অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ দ্বাৰা আমিনগাঁৱত স্থাপন কৰা কেন্দ্ৰীয় মধ্যাহ্ন ভোজন ৰান্ধনীশালৰ আনুষ্ঠানিক উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনে সমগ্ৰ দেশৰ বিভিন্ন ঠাইত শিশুসকলৰ বাবে খাদ্য যোগান ধৰি মানৱ সেৱাৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ আমিনগাঁৱত অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ দ্বাৰা নিৰ্মিত কেন্দ্ৰীয় মধ্যাহ্ন ভোজন ৰান্ধনীশালৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে এই কেন্দ্ৰীয় ৰান্ধনীশাল নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে আমিনগাঁৱত ১০ বিঘা ভূমি প্ৰদান কৰাৰ উপৰি ভাৰতীয় বিমান কোঠ প্ৰাধিকৰণে প্ৰয়োজনীয় পুঁজি আগবঢ়াইছে। সম্পূৰ্ণ যান্ত্ৰিক পদ্ধতিৰে ইয়াত শিশুৰ বাবে খাদ্য ৰন্ধা হ'ব আৰু ইয়াৰ জৰিয়তে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ প্ৰায় ৫০ হাজাৰ শিশুলৈ মধ্যাহ্ন ভোজনৰ আহাৰ যোগান ধৰা হ'ব।

এই যান্ত্ৰিক কেন্দ্ৰীয় ৰান্ধনীশাল উদ্বোধন কৰি এই উপলক্ষে অনুষ্ঠিত হোৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনে সমগ্ৰ দেশৰ বিভিন্ন ঠাইত শিশুসকলৰ বাবে স্বাস্থ্যসন্মত খাদ্য যোগান ধৰি মানৱ সেৱাৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে বুলি কয়। শিশুসকলক ঈশ্বৰৰ ৰূপ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিশুসকলক যদি সন্তুষ্ট কৰা হয় তেতিয়া হ'লে ভগৱান সন্তুষ্ট হয়। সেয়েহে অক্ষয় পাত্ৰই শিশুসকলক স্বাস্থ্যসন্মত খাদ্য যোগানেৰে প্ৰকৃত মানৱ ধৰ্ম পালন কৰিছে বুলিও তেওঁ কয়। এই উদাহৰণৰ পৰা দেশৰ জনসাধাৰণৰ মনত ভক্তি ভাৱেৰে দেশ সেৱা কৰাৰ অনুভৱ জাগ্ৰত হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে অসমৰ আটাইবোৰ জিলাতে এনেধৰণৰ ব্যৱস্থা আৰম্ভ কৰাৰো পোষকতা কৰে। মানৱ জীৱনত কৰিবলগীয়া কাম বহু থাকে যদিও ভক্তিভাৱেৰে কৰা কামেহে মানুহৰ জীৱনলৈ শান্তি আনে বুলি কোৱাৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়োগেৰে সম্পূৰ্ণ স্বাস্থ্যসন্মতভাৱে ৰন্ধা খাদ্য সামগ্ৰী শিশুসকলক প্ৰদানৰ জৰিয়তে অক্ষয় পাত্ৰই প্ৰতিগৰাকী শিশুলৈ মাতৃয়ে কৰা দায়িত্ব পালন কৰি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অক্ষয় পাত্ৰৰ দৰে অনুষ্ঠান অসমত গঢ় দিয়াৰ বাবে গ্ৰহণ কৰি অহা পদক্ষেপৰ বাবে মন্ত্ৰীগৰাকীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি স্বাস্থ্য, বিত্ত, লোকনিৰ্মাণ ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অক্ষয় পাত্ৰৰ দৰে অনুষ্ঠানক গুৱাহাটীলৈ আনি মধ্যাহ্ন ভোজনৰ কাৰ্যসূচী ভালদৰে চলোৱাৰ বাবে আজি কিছু বছৰ আগতে লোৱা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। আজি উদ্বোধন কৰা এই ৰান্ধনীশালৰ জৰিয়তে কামৰূপ জিলাৰ ৪০ হাজাৰ শিশু উপকৃত হ'ব বুলিও তেওঁ কয়। অসমত প্ৰায় ৪২ লাখ স্কুলীয়া ছাত্ৰ-ছাত্ৰী

আছে বুলি উল্লেখ কৰি আজিৰ এই ৰান্ধনীশালৰ জৰিয়তে ৪০ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে স্বাস্থ্যসন্মত মধ্যাহ্ন ভোজন লাভ কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে যোৰহাট আৰু মাজুলীত এনেধৰণৰ ৰান্ধনী শাল স্থাপন কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে বুলি উল্লেখ কৰি প্ৰতিখন জিলাতে এনেধৰণৰ ৰান্ধনীশাল স্থাপনৰো পোষকতা কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে ভাৰতীয় বিমান কোঠ প্ৰাধিকৰণে এই দিশত লোৱা পদক্ষেপৰো শলাগ লয়। এনেধৰণৰ প্ৰচেষ্টাত ৰাজ্য চৰকাৰে সদায়ে সহায়-সহযোগিতা আগবঢ়াই যাব বুলি তেওঁ কয়।

অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ উপাধ্যক্ষ চঞ্চলাপতি দাসাই আদৰণী ভাষণ প্ৰদান কৰি ৰাজ্য চৰকাৰ আৰু ভাৰতীয় বিমান কোঠ প্ৰাধিকৰণে এই ৰান্ধনীশাল স্থাপনৰ দিশত কৰা সহায়ৰ শলাগ লয়। উপাধ্যক্ষগৰাকীয়ে অসমৰ যোৰহাট, মাজুলী আৰু ত্ৰিপুৰাত এনে ধৰণৰ ৰান্ধনীশাল স্থাপনৰ পদক্ষেপ লৈ থকা হৈছে বুলি কয়। কোনো শিশুৱে যাতে ক্ষুধাৰ বাবে বিদ্যালয় পৰিত্যাগ কৰিব নালাগে তাৰ বাবে এনেধৰণৰ প্ৰচেষ্টা অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনে লৈ আহিছে বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে।

আজিৰ এই অনুষ্ঠানত ভাৰতীয় বিমান কোঠ প্ৰাধিকৰণৰ উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক কাৰ্যবাহী সঞ্চালক এম সুৰেশেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় বিমান পৰিবহন মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়েও ভাৰ্চুৱেলী ভাষণ প্ৰদান কৰে। অনুষ্ঠানত অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ অধ্যক্ষ জনাৰ্দ্দন দাসা, অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ ৰাষ্ট্ৰীয় উপদেষ্টা আৰু ন্যাসৰক্ষী প্ৰমুখ্যে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**২০/০১/২০২১**